**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 08**-08-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

::::::::::::::::::::::::::::::::::::::::::::

১। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ দুদিনীয়া ভ্ৰমণসূচীৰে আজি আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জলৈ যাব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দিল্লীত অৱস্থিত ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান- আই আই টিৰ ৫৭ সংখ্যক সমাৱৰ্তন অনুস্থানত অংশগ্ৰহণ কৰিব।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মুম্বাইত ৰাষ্ট্ৰীয় নগৰ সমবায় বিত্ত আৰু উন্নয়ন নিগম লিমিটেডৰ নতুন কাৰ্যালয় উদ্বোধন কৰিব।

৪। অসমৰ শোচনীয় বান পৰিস্থিতি সম্প্ৰতি কিছু উন্নত হোৱাৰ লগতে বান প্ৰভাৱিত জিলাৰ সংখ্যা ১৩লৈ হ্ৰাস পাইছে।

*আৰু*

৫। আছানত অনুষ্ঠিত কোৰিয়া মাষ্টাৰ্ছ ছুপাৰ থ্ৰি হাণ্ড্ৰেদ প্ৰতিযোগিতাত ভাৰতৰ অস্মিতা চলিহা আৰু ৰকছিটা ৰামৰাজে মহিলাৰ ছিংগলছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ দুদিনীয়া ভ্ৰমণসূচীৰে আজি আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জলৈ যাব। আজি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীবিজয়পুৰমৰ চেলুলাৰ জেলৰ ৰাষ্ট্ৰীয় স্মাৰক পৰিদৰ্শন কৰিব। এই স্মাৰক পৰিদৰ্শন কৰি তেওঁ শ্বহীদ স্তম্ভ আৰু স্বতন্ত্ৰজ্যোতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে বীৰ সাবৰকাৰৰ কোষ পৰিদৰ্শন কৰিব। ভাৰতৰ স্বাধীনতা আন্দোলনৰ কাহিনী আৰু সাহসী স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগক লৈ আয়োজন কৰা শব্দ আৰু পোহৰৰ বিশেষ অনুষ্ঠানতো শ্ৰীৰাধাকৃষ্ণণে অংশগ্ৰহণ কৰিব। এই ভ্ৰমণ কাৰ্যসূচীৰ দ্বিতীয় দিনা অৰ্থাৎ কাইলৈ শ্ৰীবিজয়পুৰমৰ ফ্লেগ পইণ্টত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ঘৰে ঘৰে পতাকা অভিযানত ভাগ ল'ব। পৰৱৰ্তী সময়ত ড০ বি আৰ আম্বেদকাৰ ইনষ্টিটিউট অৱ টেকন'লজী প্ৰেক্ষাগৃহত হ'বলগীয়া ৰাজ্যিক অনুষ্ঠান বন্দে মাতৰমত অংশগ্ৰহণ কৰিব। বিয়লিৰ ভাগত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ঐতিহাসিক নেতাজী সুভাষ চন্দ্ৰ বসু দ্বীপ পৰিদৰ্শন কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দিল্লীত অৱস্থিত ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান- আই আই টিৰ ৫৭ সংখ্যক সমাৱৰ্তন অনুস্থানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত তেওঁ স্নাতক, স্নাতকোত্তৰ আৰু ৫৮৭ গৰাকী গৱেষক শিক্ষাৰ্থীকে ধৰি তিনি হাজাৰতকৈও অধিক ছাত্ৰ-ছাত্ৰীক সম্বোধি ভাষণ দিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে আই আই টি দিল্লীয়ে গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত সদায়ে অৱদান আগবঢ়াই আহিছে। কালি নতুন দিল্লীত অনুষ্ঠিত এখন সংবাদমেলত প্ৰতিষ্ঠানখনৰ সঞ্চালক ৰংগন বেনাৰ্জীয়ে কয়, যে

প্ৰধানমন্ত্ৰী মোদীয়ে আজিৰ এই অনুষ্ঠানত প্ৰতিষ্ঠানখনৰ আটাইতকৈ সন্মানীয় পুৰস্কাৰসমূহ বিশেষকৈ ৰাষ্ট্ৰপতিৰ সোণৰ পদক, সঞ্চালকৰ সোণৰ পদক, শংকৰদয়াল শৰ্মা সোণৰ পদক আৰু আন ১০ টা সোণৰ পদক মেধাবী ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিব। শ্ৰী বেনাৰ্জীয়ে কয়, যে প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে প্ৰতিষ্ঠানখনৰ শনিপট চৌহদত পৰমপ্ৰজ্ঞা নামৰ কৃত্ৰিম বুদ্ধি আধাৰিত উচ্চ ক্ষমতা সম্পন্ন কম্পিউটাৰ ব্যৱস্থা মুকলি কৰিব।

সঞ্চালক বেনাৰ্জীয়ে কয়, যে আই আই টি দিল্লীয়ে দেশৰ মুঠ ১৮ খন প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। ইয়াৰ জৰিয়তে ৰাষ্ট্ৰীয় শৈক্ষিক আৰু গৱেষণাৰ কাৰ্যসূচী আগবঢ়াই নিয়াৰ প্ৰয়াস কৰা হৈছে। শ্ৰী বেনাৰ্জীয়ে কয়, যে এই প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আৰু আই আই টি দিল্লীৰ মাজত হোৱা চুক্তি মৰ্মে শিক্ষাৰ্থী আৰু প্ৰতিষ্ঠানটোৰ শিক্ষকসকলে শৈক্ষিক আদান-প্ৰদান, যুটীয়া গৱেষণা, গৱেষণাগত আন্তঃগাঁথনি আৰু ফেকাল্টি উন্নয়ন বিষয়সমূহৰ ক্ষেত্ৰত দৃষ্টিভংগী আৰু চিন্তাৰ আদান-প্ৰদান কৰিব পাৰিব। তেওঁ লগতে কয়, যে এই শৈক্ষিক প্ৰতিষ্ঠানখনে বিশ্বৰ ৩০ খন দেশৰ অগ্ৰণী প্ৰতিষ্ঠানসমূহৰ সৈতে গৱেষণা আৰু শৈক্ষিক কাৰ্যসূচী আগুৱাই নিয়াৰ উদ্দেশ্যে ৮৮ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

০০০০

অসমৰ শোচনীয় বান পৰিস্থিতি সম্প্ৰতি কিছু উন্নত হৈছে আৰু বান প্ৰভাৱিত জিলাৰ সংখ্যা ১৩লৈ হ্ৰাস পাইছে। এই বানত এক লাখ ৫৫ হাজাৰ লোক ক্ষতিগ্ৰস্ত হোৱাৰ লগতে বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৮ হৈছেগৈ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি শেহতীয়া বানত চৰাইদেউ জিলাৰ যথেষ্ট ক্ষতি হৈছে। এই বানত ৰাজ্যখনৰ শিৱসাগৰ, গোলাঘাট, নগাঁও, হোজাই, শোণতপুৰ, ধেমাজি, দৰং, বিশ্বনাথ, কামৰূপ, লখিমপুৰ, ওদালগুৰি আৰু যোৰহাট জিলাৰ ভালেমান অঞ্চল প্ৰভাৱিত হৈছে।

গোলাঘাট জিলাতো প্ৰায় ৫৯ হাজাৰ লোক এই বানত ক্ষতিগ্ৰস্ত হৈছে। অসম চৰকাৰে স্থাপন কৰা ৫৫ টা সাহায্য কেন্দ্ৰত বৰ্তমানলৈও ১০ হাজাৰতকৈও অধিক লোকে আশ্ৰয় লৈ আছে। ইয়াৰ লগতে ১৮ টা সাহায্য বিতৰণ কেন্দ্ৰই বান ক্ষতিগ্ৰস্ত জনসাধাৰণক সাহায্য আগবঢ়াই আছে।

ৰাজ্যখনৰ গোলাঘাট জিলাৰ মাজেৰে বৈ যোৱা ধনশিৰি নদীৰ পানীৰ স্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। একেদৰে শ্ৰী ভূমি জিলাতো কুশিয়াৰা নদীৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ আছে। শেহতীয়া বানত অসমৰ ১০ হাজাৰ ৭০০ হেক্টৰ কৃষি ভূমি নষ্ট হোৱাৰ লগতে ৪৭ হাজাৰতৈকও অধিক পশুধন প্ৰভাৱিত হৈছে। বান ক্ষতিগ্ৰস্ত জিলাসমূহৰ ভালেসংখ্যক ৰাস্তা, দলং আৰু বাসগৃহ ক্ষতিগ্ৰস্ত হৈছে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মুম্বাইত ৰাষ্ট্ৰীয় নগৰ সমবায় বিত্ত আৰু উন্নয়ন নিগম লিমিটেডৰ নতুন কাৰ্যালয় উদ্বোধন কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে মহাৰাষ্ট্ৰৰ ৰাজ্যিক নগৰ সমবায় বেংক ফেডাৰেচন আৰু জিলা সংঘৰ প্ৰতিনিধিৰ সৈতেও মত বিনিময় কৰিব। এই কাৰ্যসূচীৰ সময়ত এন ইউ চি এফ ডি চি আৰু ৰাষ্ট্ৰীয় ফৰেনছিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ মাজত বুজাবুজিৰ চুক্তি সম্পন্ন হোৱাৰ কথা। এই সহযোগিতাই নগৰীয়া সমবায় বেংকিং

খণ্ডত চাইবাৰ সুৰক্ষা, প্ৰযুক্তিগত সামৰ্থ্য, আৰু প্ৰতিষ্ঠানিক ক্ষমতা শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইয়াৰ পিছত শ্ৰী শ্বাহে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাডনভিছৰ সৈতে বিএছই আন্তঃৰাষ্ট্ৰীয় অধিৱেশন কেন্দ্ৰত অংশগ্ৰহণ কৰিব। তেওঁ নগৰ সমবায় বেংকৰ চাইবাৰ সুৰক্ষা শক্তিশালী কৰাৰ বাবে এটা নিৰাপত্তা অভিযান কেন্দ্ৰ উদ্বোধন কৰিব।

০০০০

মিজোৰামৰ মুখ্যমন্ত্ৰী লাল ডুহোমাই নতুন দিল্লীত গুগল ফৰ এডুকেচন, ব্ৰিকছ এণ্টাৰপ্ৰেনিউৰ এলায়েন্স ইণ্ডিয়া আৰু ইণ্ডিয়া টুডে গ্ৰুপৰ প্ৰতিনিধিৰ সৈতে কৃত্ৰিম বুদ্ধিমত্তা, বিনিয়োগৰ সুযোগ আৰু পৰ্যটনৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি এলানি ধাৰাবাহিক বৈঠক অনুষ্ঠিত কৰে। এটা আনুষ্ঠানিক বিবৃতি অনুসৰি মুখ্যমন্ত্ৰীয়ে গুগল জেমিনি কৃত্ৰিম বুদ্ধিমত্তা আৰু মিজোৰামৰ বিদ্যালয় শিক্ষা ব্যৱস্থাৰ সহযোগিতা অন্বেষণ কৰে। গুগলৰ প্ৰতিনিধি দলটোৱে মিজোৰামৰ বিদ্যালয় শিক্ষকসকলৰ ডিজিটীয় দক্ষতা শক্তিশালী কৰাৰ লগতে শিক্ষাক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাক ফলপ্ৰসূভাৱে গ্ৰহণ কৰাত সহায় কৰিবলৈ বিনামূলীয়া প্ৰশিক্ষণ প্ৰদানৰ প্ৰস্তাৱ আগবঢ়ায়। ইয়াৰ পিছত মুখ্যমন্ত্ৰী লালডুহোমাই ব্ৰিকছ এণ্টাৰপ্ৰেনিউৰ এলায়েন্স ইণ্ডিয়াৰ আন্তৰাষ্ট্ৰীয় সভাপতি ড০ ভাস্কৰ জ্যোতি সোণোৱালক সাক্ষাৎ কৰি কৃত্ৰিম বুদ্ধিমত্তা, কাৰ্বন ক্ৰেডিট, প্ৰযুক্তি, পৰ্যটন, নিৰাপত্তা আৰু যুৱ উন্নয়নকে ধৰি বিভিন্ন খণ্ডত সম্ভাব্য সহযোগিতাৰ বিষয়ে আলোচনা কৰে। ৰাজ্যসভাৰ সাংসদ কে লালটলুয়াংকিমা, জোহাণ্ডকোৰ অধ্যক্ষ জে.কে. ডৰংজুৱালা আৰু চৰকাৰী উপদেষ্টা ৰেণু শৰ্মা বৈঠকত উপস্থিত থাকে।

০০০০

ভাৰতে প্ৰস্তাৱিত বিদেশী অৱদান (নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক সন্দৰ্ভত আমেৰিকাৰ এগৰাকী সাংসদে উত্থাপন কৰা আপত্তি নাকচ কৰি কয় যে ভাৰতৰ সংসদীয় বিষয় হৈছে এটা আভ্যন্তৰীণ বিষয়, য'ত দুখন সংসদে সিদ্ধান্ত গ্ৰহণ কৰে। এই সন্দৰ্ভত এটা প্ৰশ্নৰ উত্তৰ দি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে এই কথা সদৰী কৰে। জয়ছৱালে আঙুলিয়াই দিয়ে যে আমেৰিকাকে ধৰি কেইবাখনো ৰাষ্ট্ৰ আছে যিয়ে বিদেশী ধনৰ প্ৰবাহ নিয়ন্ত্ৰণ কৰে। ভাৰতীয় জাহাজ আৰু নাৱিকসকলৰ সুৰক্ষা আৰু নিৰাপত্তা সন্দৰ্ভত জয়ছৱালে কয় যে নতুন দিল্লীয়ে

এই বিষয়টোক সদায় অগ্ৰাধিকাৰ দি আহিছে। তেওঁ কয়, সমগ্ৰ উপসাগৰীয় অঞ্চলৰ ভাৰতীয় অভিযানসমূহে সেই দেশসমূহৰ জাহাজ মন্ত্ৰালয় আৰু সামুদ্ৰিক কৰ্তৃপক্ষৰ সৈতে অহৰহ যোগাযোগত আছে। তেওঁ কয়, ২৪ঘন্টাই হেল্পলাইন সেৱা অবযাহত আছে যাতে যিকোনো ব্যক্তিয়ে সহায়ৰ প্ৰয়োজন হলে তেওঁলোকৰ কাষ চাপিব পাৰে। তেওঁ লগতে কয় যে ভাৰতে আন্তঃৰাষ্ট্ৰীয় জলপথৰ জৰিয়তে নিৰাপদ আৰু নিৰ্বিঘ্নে যাতায়ত আৰু বাণিজ্য অব্যাহত ৰাখিছে। পাকিস্তান, তুৰস্ক আৰু চৌদি আৰৱৰ মাজত হোৱা প্ৰতিৰক্ষা চুক্তিৰ উত্তৰত মুখপাত্ৰগৰাকীয়ে কয় যে এই উন্নয়ন তীক্ষ্ণভাৱে অনুসৰণ কৰা হৈছে। ভাৰতে এই ঘটনাসমূহ নিবিড়ভাৱে পৰ্যবেক্ষণ কৰি আহিছে। পাকিস্তান আৰু ছোমালিয়াৰ মাজত শেহতীয়াকৈ হোৱা প্ৰতিৰক্ষা চুক্তিৰ সন্দৰ্ভত জয়ছৱালে কয় যে ভাৰতে এই উন্নয়নসমূহ নিবিড়ভাৱে অনুসৰণ কৰি আছে।

০০০০

আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ অধীনত ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰাধিকৰণৰ স্কেন এণ্ড শ্বেয়াৰ সেৱাই ২৫ কোটি অ'পিডি পঞ্জীয়নৰ মাইলৰ খুঁটি অতিক্ৰম কৰিছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে কয় যে এই সফলতাই নাগৰিককেন্দ্ৰিক ডিজিটেল সেৱাৰ দ্ৰুত পৰিসৰ বৃদ্ধিৰ ওপৰত আলোকপাত কৰে আৰু সমগ্ৰ দেশতে আভা সক্ষম ডিজিটেল স্বাস্থ্য সমাধানক ক্ৰমান্বয়ে গ্ৰহণ কৰাটো প্ৰতিফলিত কৰে। মন্ত্ৰালয়ে কয় যে, ২০২২ চনৰ অক্টোবৰ মাহত আৰম্ভ হোৱাৰ পিছৰে পৰা স্কেন এণ্ড শ্বেয়াৰ সেৱাই ৰোগীসকলক সৰল QR-ক'ড স্কেনৰ জৰিয়তে ডিজিটেলভাৱে চিকিৎসালয়ৰ পঞ্জীয়ন সম্পূৰ্ণ কৰিবলৈ সক্ষম কৰি অ'পিডি পঞ্জীয়নৰ অভিজ্ঞতাক সহজ কৰি তুলিছে। মন্ত্ৰালয়ে জনোৱা মতে, বৰ্তমান সমগ্ৰ দেশৰ ৩৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৭৫৬খন জিলাত এই সেৱা কাৰ্যক্ষম হৈ আছে। মন্ত্ৰালয়ে লগতে কয় যে গড়ে প্ৰায় চাৰি লাখ ৰোগীয়ে প্ৰতিদিনে অ'পিডি পঞ্জীয়নৰ বাবে স্কেন এণ্ড ৰেজিষ্টাৰ সেৱা ব্যৱহাৰ কৰে, যিয়ে ডিজিটেল স্বাস্থ্যসেৱা সেৱাৰ প্ৰতি নাগৰিকৰ ক্ৰমবৰ্ধমান আস্থাক প্ৰতিফলিত কৰে। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ভিতৰত বিহাৰে ৭কোটি ৩০ লাখৰো অধিক স্কেন আৰু পণজীয়ন লেনদেনেৰে দেশৰ ভিতৰতে শীৰ্ষ স্থানত আছে। উত্তৰ প্ৰদেশে, অন্ধ্ৰপ্ৰদেশে আৰু জম্মু-কাশ্মীৰো স্কেন এণ্ড ৰেজিষ্টাৰ লেনদেনেৰে আগবাঢ়ি আছে। চৰকাৰী স্বাস্থ্যসেৱাৰ সুবিধাসমূহৰ ভিতৰত এইমছ নতুন দিল্লীয়ে ৫৪লাখ ২৯ হাজাৰৰো অধিক পঞ্জীয়নৰ সৈতে সৰ্বাধিক স্কেন এণ্ড

ৰেজিষ্টাৰ পঞ্জীয়ন সৃষ্টি কৰিছে। এই কৃতিত্ব সন্দৰ্ভত ভাষণ দি ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ সুনীল কুমাৰ বৰ্ণৱালে কয় যে স্কেন এণ্ড ৰেজিষ্টাৰৰ জৰিয়তে ২৫ কোটি অ'পিডি পঞ্জীয়নৰ মাইলৰ খুঁটি অতিক্ৰম কৰাটোৱে ভাৰতৰ ডিজিটেল স্বাস্থ্য পৰিৱেশ তন্ত্ৰত নাগৰিক আৰু স্বাস্থ্যসেৱা প্ৰদানকাৰীসকলে যি ক্ৰমবৰ্ধমান আস্থা ৰাখিছে তাক প্ৰতিফলিত কৰিছে।

০০০০

আছানত অনুষ্ঠিত কোৰিয়া মাষ্টাৰ্চ্ছ ছুপাৰ থ্ৰি হাণ্ড্ৰেদ প্ৰতিযোগিতাত ভাৰতৰ অস্মিতা চলিহা আৰু ৰকছিটা ৰামৰাজে মহিলাৰ এককৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। দুয়োগৰাকী খেলুৱৈয়ে ইয়াৰ পূৰ্বে এই শিতানৰ কোৱাৰ্টাৰ ফাইনেলনত বিজয়ী হৈছিল। অস্মিতাই প্ৰতিযোগিতাখনৰ কোৱাৰ্টাৰ ফাইনেলত জাপানৰ হিনা আকেছিক ২০-২২, ২১-১৫, ২১-১৯ গেমত পৰাজিত কৰিছিল। একেদৰে ৰকছিটাই তন্‌ভি শৰ্মাক ১৮-২১, ২১-১৯, ২১-১৮ ৰ ব্যৱধানত পৰাভূত কৰিছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ